# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

\- - - - - - - - - - - - - -

১। স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰজুৰি ৰাষ্ট্ৰীয় যুৱ দিৱস পালন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত যুৱ নেতা আলোচনাত অংশগ্ৰহণ।

২। ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ ৰায়দান। এপ্ৰিলত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা।

৩। ৰাজ্যজুৰি ভোগালী বিহুৰ ব্যাপক প্ৰস্তুতি। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভোগৰ উৎসৱ উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা।

৪। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ যুটীয়া সচিব দেৱজিত লন শইকীয়াৰ আনুষ্ঠানিকভাৱে বিচিচিআইৰ নতুন সচিবৰ দায়িত্ব গ্ৰহণ। *আৰু*

৫। মহিলা হকী ইণ্ডিয়া লীগৰ ৰাঁচীত অনুষ্ঠিত এখন খেলত এছ জি পাইপাৰ্ছ-ওড়িশা ৰাৰিৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

স্বামী বিবেকানন্দ জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ৰাষ্ট্ৰজুৰি ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হৈছে। এই উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱনেতা আলোচনা ২০২৫ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰে। আলোচনা চক্ৰখনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মৰ ৩ হাজাৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। ইয়াৰ লগতে তেওঁ আলোচনাস্থলীত আয়োজিত প্ৰদৰ্শনী পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে শুকুৰবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে এই আলোচনা চক্ৰ অনুষ্ঠিত হৈছে।

ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ ধাৰা পশ্চিমীয়া দেশসমূহলৈও প্ৰৱহমান কৰাত অগ্ৰণী ভূমিকা পালন কৰা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ভাৰতীয় জনতা যুৱ মৰ্চাই গুৱাহাটীত পালন কৰা ৰাষ্ট্ৰীয় যুৱ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত **জ্ঞানালোক** শীৰ্ষক এই অনুষ্ঠানত যুগদ্ৰষ্টাগৰাকীৰ আদৰ্শৰে দেশৰ যুৱ সমাজক নতুন ৰাষ্ট্ৰ গঠনৰ সংকল্প ল'বলৈ ড০ শৰ্মাই আহ্বান জনায়। এই অনুষ্ঠানটোত ৰাজ্যৰ ৫০ গৰাকী **যুৱ প্ৰতিভাধৰ**ক সম্বৰ্ধনা জনোৱা হয়।

শিৱসাগৰতো বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ দিৱস আৰু স্বামী বিবেকানন্দৰ জয়ন্তী পালন কৰা হয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰিছে। বিবদমান ৯ খন পঞ্চায়তক বাদ দি অতিশীঘ্ৰে ৰাজ্যজুৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্ৰীভূমি, কাছাৰ, হাইলাকান্দি

আৰু মৰিগাঁৱক সামৰি এই বিষয়ত ৯ খন লেখ আবেদন দাখিল কৰা হৈছিল। ন্যায়াধীশ সৌমিত্র শইকীয়াৰ আদালতে এই সম্পৰ্কত পৰহি স্থগিত ৰখা ৰায়দান আজি প্ৰদান কৰে। এই ৰায় অনুযায়ী ৯ খন লেখ আবদনে সামৰি লোৱা অঞ্চলসমূহৰ বাদে আন পঞ্চায়ত সমূহত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ প্ৰদান কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উচ্চ ন্যায়ালয়ৰ এই ৰায়দানৰ পাছত ব'হাগ বিহুৰ ওচৰে পাজৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। কামৰূপৰ চাংসাৰিত গৃহ সমষ্টি জালুকবাৰীৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ আয়োজন কৰা এখন সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে অৱগত কৰে।

**বাইট (চি এম)**

পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ন্যায়ালয়ে অনুমতি প্ৰদান কৰাৰ সমান্তৰালভাৱে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে দৰং জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এখন সক্ৰিয়া কাৰ্যকৰ্তা সভাত অংশগ্ৰহণ কৰে। বিজেপি নেতাগৰাকীয়ে সমাগত নিৰ্বাচনত দলটোৱে ঐক্যবদ্ধভাৱে যুঁজ দি জয় সুনিশ্চিত কৰিব বুলি মন্তব্য কৰে। বিৰোধী দল কংগ্ৰেছেও নিৰ্বাচনী তৎপৰতা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইনে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব বুলি মন্তব্য কৰে।

০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছি্ৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি অন্তিম দিন। এই উপলক্ষে আয়োজিত মুকলি সভাত ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই অংশগ্ৰহণ কৰে। এটা জাতি জীয়াই থাকিবলৈ ভাষা আৰু সাহিত্য অতি গুৰুত্বপূৰ্ণ উপাদান বুলি মন্তব্য কৰি মন্ত্ৰী শ্ৰীহাজৰিকাই কয়, যে বড়ো সকলৰ জাতীয় জীৱনৰ মূল স্ৰোত সাহিত্য আৰু সংস্কৃতিয়ে বৃহত্তৰ অসমীয়া জাতিক সমৃদ্ধ কৰি আহিছে। বড়ো সাহিত্য সভাই অসমৰ বৃহত্তম জনগোষ্ঠীটোৰ ভাষা-সাহিত্য, কলা-কৃষ্টি আৰু সংস্কৃতিক বিশ্ব দৰবাৰলৈ আগবঢ়াই লৈ যাবলৈ সমৰ্থ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আজিৰ অনুষ্ঠানত প্ৰকাশ কৰে। উল্লেখযোগ্য যে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰই আজিৰ মুকলি অধিৱেশনৰ কাৰ্যসূচী পোনপটীয়াকৈ প্ৰচাৰ কৰিছে। অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী, বড়ো সাহিত্য সভাৰ সভাপতি ড০ সূৰথ নাৰ্জাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

কাইলৈ ভোগালী বিহুৰ উৰুকা। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীতো ভোগালীৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হৈছে। প্ৰতিবাৰৰ দৰে এইবেলিও বৃহত্তৰ উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই কাইলৈ উৰুকা উপলক্ষে উজান বজাৰত ৭০ টন মাছ বিক্ৰীৰ লক্ষ্য লৈছে। সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ দাসে এইকথা প্ৰকাশ কৰে। ইপিনে, আজি পুৱাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই ভোগালী বিহু উপলক্ষে মাছ উপহাৰ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লখিমীক আদৰি উছাহেৰে ভোগালী বিহু পালন কৰিবলৈ ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁক সাক্ষাৎ কৰি পৰম্পৰাগত উপহাৰ প্ৰদান কৰা প্ৰতিজন ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভোগৰ উৎসৱ উপলক্ষে দৈ, মাছ, পিঠা-পনা ইত্যাদি পৰম্পৰাগত খাদ্য সম্ভাৰসমূহ আৰ্থিকভাৱে দুৰ্বলসকলক ভগাই দিয়া হ'ব।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও সমূহ ৰাজ্যবাসীলৈ ভোগালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাযোগে মন্ত্ৰীগৰাকীয়ে ভোগালীৰ প্ৰীতিভোজে জনসাধাৰণৰ মাজত জাউতীযুগীয়া ভাতৃত্ব আৰু সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

শিৱসাগৰ জিলাত টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত ৰংঘৰ বাকৰিত ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। ২০১১ বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে আয়োজন কৰা এই মেলাত বিভিন্ন জনগোষ্ঠীয় খাদ্য সম্ভাৰ পৰিৱেশন কৰা হৈছে। ১০ জানুৱাৰীৰ পৰা চলি থকা এই মেলাৰ মূল অনুষ্ঠান ১৫ জানুৱাৰী অৰ্থাৎ পহিলা মাঘত অনুষ্ঠিত হ'ব। ইফালে গোলাঘাট জিলাত বোকাখাত মহকুমা প্ৰশাসনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বিলসমূহত মাঘ বিহুৰ সময়ত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত অবৈধভাৱে মাছধৰা সকলক দণ্ড বিহা হ'ব বুলি বোকাখাত মহকুমা প্ৰশাসনে ঘোষণা কৰিছে।

উল্লেখযোগ্য যে মাঘ বিহুৰ সৈতে সম্পৰ্ক থকা পৰম্পৰাগত ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজৰ দৰে খেল-ধেমালিসমূহ ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবে অনুষ্ঠিত নহয়।

বৰাক উপত্যকাতো ভোগৰ উৎসৱৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। শ্ৰীভূমি জিলাৰ ভোগালী প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়-

**ভইচ (জাকাৰিয়া ৰহমান)**

০০০০০

ৰাজভৱনত কালি আয়োজন কৰা প্ৰাক ভোগালী উৎসৱত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মত বিনিময় কৰে। তেওঁ ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছাও জ্ঞাপন কৰে। কালি অনুষ্ঠিত সংবাদমেলত ৰাজ্যপালগৰাকীয়ে কয়, যে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সম্পাদক আৰু সাংবাদিকক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এই প্ৰাক ভোগালী উৎসৱত তেওঁ লগতে কয়, যে প্ৰশিক্ষণ গ্ৰহণ কৰিবলগীয়া ৫১২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫০০ গৰাকীক অনলাইন ব্যৱস্থাৰে আৰু আন ১২ গৰাকীক অফলাইন ব্যৱস্থাৰে প্ৰশিক্ষণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই শিক্ষাৰ্থীসকলে যাতে লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে, তাৰ বাবে ৰাজভৱনৰ তৰফৰ পৰা বিভিন্ন সুবিধা দিয়া হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। দিব্যাংগ ব্যক্তিসকলৰ লগতে কলা আৰু সাংস্কৃতিক কৰ্মী, সামাজিক কৰ্মী, সাহিত্যিক আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিক উৎসাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই লগতে কয়, যে এনে ব্যক্তিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে।

০০০০০

গুৱাহাটীৰ খানাপাৰাৰ ফাৰ্মগে'ট খেলপথাৰত ১০ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা পঞ্চম পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয়, যে এই মেলা পশুপালকৰ আয় বৃদ্ধিৰ উদ্দেশ্যেৰে আয়োজন কৰা হৈছে। কৃষি ক্ষেত্ৰৰ উন্নতি দেশৰ শক্তি আৰু সমৃদ্ধিৰ আধাৰ বুলি অভিহিত কৰি ৰাজ্যপালগৰাকীয়ে কৃষক তথা পশুপালকসকলৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জন কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ কৃষক সমাজক এই আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত গোলাঘাট জিলাৰ ৰঙামাটিৰ জোনজোন শইকীয়ালৈ ৰাজ্যৰ শ্ৰেষ্ঠ পশুপালক বঁটা আগবঢ়োৱা হয়। একেদৰে নলবাৰী

জিলাৰ প্ৰণৱ কলিতাক শ্ৰেষ্ঠ ঘাঁহ খেতিয়ক আৰু বঙাইগাঁও জিলাৰ যশৱন্ত বৰ্মনক কণী উমনি দিয়া যন্ত্ৰ উদ্ভাৱনৰ বাবে বঁটা প্ৰদান কৰা হয়। ৰাজ্যপালগৰাকীয়ে এখন স্মৰণিকাৰ লগতে হাঁহ-কুকুৰা পালন বিষয়ক এখন পুস্তিকাও উন্মোচন কৰে। পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপৰিও আজিৰ অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত **ভোগালীৰ উৰুকাত অসমবাসীয়ে থলুৱা মাছৰ সোৱাদ ল'ব পাৰিবনে?** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট মীন পালক আৰু আমাৰ সংবাদদাতাসকলে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ যুটীয়া সচিব তথা প্ৰাক্তন ক্ৰিকেট খেলুৱৈ দেৱজিত লন শইকীয়াই আজি আনুষ্ঠানিকভাৱে বিচিচিআইৰ নতুন সচিব হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। মন্ত্ৰী অশোক সিংহালে এয়া অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি অভিহিত কৰি নৱনিযুক্ত সচিব শ্ৰীশইকীয়াই ভাৰতীয় ক্ৰিকেটক বিশ্বৰ মঞ্চত উজলাই তুলিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা মাহত জয় শ্বাহে আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তেওঁ বি চি চি আইৰ সচিবৰ পদ ত্যাগ কৰিবলগীয়া হৈছিল।

০০০০০

অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সম্পাদক দেৱজিত বৰাই স্বদেশ আৰু স্বজাতিৰ সেৱাত নৱ প্ৰজন্ম উদ্বুদ্ধ হোৱা উচিত বুলি মন্তব্য কৰে। কালি যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱনে সকলোকে আদৰি লোৱাৰ লগতে অসম সাহিত্য সভাৰ দুৱাৰ সকলোৰে বাবে মুকলি আছে। অসম সাহিত্য সভাৰ অন্তৰ্গত উত্তৰ পশ্চিম যোৰহাট শতদল শাখা সাহিত্য সভাৰ উদ্যোগত আৰু উত্তৰ পশ্চিম যোৰহাটৰ ৰাইজৰ সহযোগত অনুষ্ঠিত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত শ্ৰীবৰাক অঞ্চলটোৰ বহু ব্যক্তি আৰু প্ৰতিষ্ঠানে সম্বৰ্ধনা জনায়।

০০০০০

চিৰাং জিলাৰ বিজনী জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে বিদ্যালয় প্ৰাঙ্গণত কালি আৰু আজি দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে আজি আলোচনাচক্ৰ আৰু মুকলি সভা অনুষ্ঠিত হয়। বৰপেটাৰ হাউলী ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰণজিৎ কুমাৰ কলিতাৰ পৌৰহিত্যত মাতৃভাষাৰ প্ৰতি নৱপ্ৰজন্মৰ দায়িত্ব শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিটিচিৰ পাৰিষদ তথা ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ বায়নে আলোচনাচক্ৰ আৰু মুকলি সভাখন উদ্বোধন কৰে। আলোচনাচক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদিপ ভাগৱতীয়ে অসমত ২৫ বছৰ পূৰ্বে জাতীয় বিদ্যালয়সমূহ প্ৰতিষ্ঠাৰ জৰিয়তে অসমীয়া ভাষাৰ উত্তৰণৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছে বুলি উল্লেখ কৰে। এই আলোচনাত ইউ এছ টি এমৰ অধ্যাপক আব্দুল ওৱাদুদ শ্বেখো উপস্থিত থাকে। ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰা আভা নামৰ এখন স্মৃতিগ্ৰন্থ বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে উন্মোচন কৰে।

ooooo

কোকৰাঝাৰৰ ২৯ নম্বৰ পশ্চিম জনজাতি সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰী আজি সমষ্টিটোৰ অন্তৰ্গত শক্তি আশ্ৰম, চিথিলা আৰু ভাওৰাগুৰিত মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৩ টাকৈ পথৰ আধাৰশিলা স্থাপন কৰে। ফকিৰাগ্ৰাম-চেৰফাংগুৰি লোক নিৰ্মাণ বিভাগৰ পথৰ শক্তি আশ্ৰম বজাৰ তিনিআলিৰ পৰা চিথিলালৈ, চিথিলাৰ পৰা যোগদৈ লৈ আৰু ভাওৰাগুৰি মান্দাৰপাৰাৰ পৰা মধ্য কাচকাটা পৰ্যন্ত পথ নিৰ্মাণ কামৰ আধাৰশিলা স্থাপন কৰে।

ooooo

মহিলা হকী ইণ্ডিয়া লীগত এছ জি পাইপাৰ্ছে আজি সন্ধিয়া ৰাঁচীত ওড়িশা ৱাৰিৰৰ্ছৰ বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বাজি ৪০ মিনিটত অনুষ্ঠিত হোৱাৰ কথা। মহিলা হকী ইণ্ডিয়া লীগৰ প্ৰথম সংস্কৰণত ৪ টা দলে খেলিব। এই দলকেইটা হৈছে দেলহী এছ জি পাই পাৰ্ছ, ওড়িশা ৱাৰিৰৰ্ছ, শ্ৰাচি ৰাড় বেংগল টাইগাৰ্ছ আৰু চুৰমা হকী ক্লাৱ। ১৫ দিনীয়া এই লীগ পৰ্যায়ৰ প্ৰতিযোগিতা ২৪ জানুৱাৰীলৈ চলিব। ২৬ জানুৱাৰীত ফাইনেল প্ৰতিযোগিতা অনুষ্ঠিত হব। ইয়াৰে এঘাৰখন খেল ৰাঁচীত আৰু দুখন খেল ৰুৰকেলাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত